### (গ) ডি.এম.কে. আৰু এ. আই. এ. ডি.এম.কে. (D.M.K. And A.I.A.D.M.K.) ঃ

দ্ৰাবিড় মুন্নেত্ৰা কাজাগম চমুকৈ ডিএমকে আৰু এডিএমকে তামিলনাডুৰ দুটা প্ৰধান আঞ্চলিক দল। চি.এন. আন্নাডুৰাইৰ নেতৃত্বত ১৯৪৯ চনত ডি.এম.কে. দল গঠন হয়। তামিলনাডুত ব্ৰাহ্মণৰ কবলৰ পৰা মুক্ত হ'বলৈ ডি.এম.কে. দলৰ জন্ম হৈছিল। স্বাধীন ভাৰতৰ চৰকাৰে হিন্দী ভাষাক ৰাষ্ট্ৰীয় ভাষা হিচাপে সমগ্ৰ ভাৰততে জাপি দিয়াত তামিলনাডুকে আদি কৰি দক্ষিণ ভাৰতত ইয়াৰ বিৰুদ্ধে যথেষ্ঠ প্ৰতিবাদ হৈছিল। এই প্ৰতিবাদৰ ফল স্বৰূপেই হিন্দী ভাষাক ৰাষ্ট্ৰীয় ভাষা হিচাপে স্বীকাৰ নকৰি হিন্দী বিৰোধী আন্দোলনৰ সূত্ৰপাত ঘটিছিল। হিন্দী বিৰোধী আন্দোলনৰ ফলস্বৰূপে তামিলনাডুত ডি.এম.কে. দলৰ সৃষ্টি হৈছিল। ঠিক একেটা কাৰণতে এ.ডি.এম.কে. দলৰো সৃষ্টি হৈছিল। ডি.এম.কে. দলৰ নেতা কৰুণানিধি আৰু চিত্ৰতাৰকা এম.জি.ৰামাচন্দ্ৰনৰ মাজত হোৱা সংঘাতৰ বাবে এম.জি.ৰামাচন্দ্ৰনে এ.ডি.এম.কে. দলৰ জন্ম দিছিল। তালিমনাডুৰ স্বকীয় ভাষা, সংস্কৃতি ৰক্ষা কৰাৰ উদ্দেশ্যেই ডিএমকে আৰু এডিএমকে দলৰ গঠন হৈছিল। দুয়োটা দলেই উত্তৰ ভাৰত বিৰোধী আৰু হিন্দী ভাষাৰ বিৰুদ্ধাচাৰণক আদৰ্শ হিচাপে গণ্য কৰে। ৰামচন্দ্ৰনে প্ৰতিষ্ঠা কৰা এডিএমকে দলটো পিছত এ.আই.এ.ডি.এম.কে. নামে পৰিচিত হৈছিল। এম.জি. ৰামচন্দ্ৰণৰ মৃত্যুৰ পিছত এআইএডিএমকে (AIADMK) দলত পুনৰ বিভাজন হৈছিল। দলৰ এটা ভাগৰ নেতৃত্ব লৈছিল ৰামচন্দ্ৰনৰ পত্নী জানী ৰামচন্দ্ৰনে আৰু আনটো ভাগৰ নেতৃত্ব লৈছিল চিত্ৰতাৰকা জয়ললিতাই। পিছত অৱশ্যে জয়ললিতাৰ নেতৃত্বত AIADMK দলে তামিলনাডুৰ ৰাজনীতিত কাৰ্যকৰী হৈ পৰে।

ডিএমকে আৰু এআইএডিএমকে (AIADMK) দুয়োটা দলেই তামিলনাডুৰ ৰাজনীতিত সক্ৰিয় হৈ আছে। দুয়োটা দলে সলনাসলনিকৈ তামিলনাডুত চৰকাৰ গঠন কৰি আছে। দুয়োটা দলেই কংগ্ৰেছ দলৰ লগত মিত্ৰতা স্থাপনত আগ্ৰহী আৰু কংগ্ৰেছ দলেও ৰাজনৈতিক সুবিধা লাভৰ বাবে দুয়োটা দলৰ লগতে মিত্ৰতা স্থাপন কৰিছে। ১৯৬৭ চনৰ পৰা ২০১৯ চনলৈকে ডি.এম.কে আৰু এআইএডিএমকে দুয়োটা দলেই এটা চৰকাৰী দল হ'লে আনটো বিৰোধী পক্ষত থাকি তামিলনাডুত শাসনকাৰ্য পৰিচালনা কৰি আহিছে। ২০১৬ চনৰ তামিলনাডুৰ বিধান সভা নিৰ্বাচনত জয়ললিতাৰ নেতৃত্বত এআইএডিএমকে (AIADMK) দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। নিৰ্বাচনৰ পিছত জয়ললিতাৰ মৃত্যু হোৱাত তেওঁৰে দলৰ এডাপ্পাডি. কে পালানিস্বামীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈ শাসন কাৰ্য চলাই আছে।

**দলৰ নীতি আৰু আদৰ্শ (Aims and Objectives of the Parties) ঃ** দুয়োটা আঞ্চলিক দলৰ জন্ম হৈছিল তামিলসকলৰ ভাষা-সংস্কৃতি ৰক্ষা কৰাৰ উদ্দেশ্যে। সেয়েহে দুয়োটা দলেই তামিল সকলৰ ভাষা-সাহিত্য ৰক্ষাৰ ওপৰত যথেষ্ঠ গুৰুত্ব দিয়ে। ভাৰতৰ সাহিত্যত তামিল লেখক সকলৰ মৰ্যাদা বৃদ্ধিত দলৰ যথেষ্ঠ অৰিহণা আছে। তদুপৰি তামিল বেদক ধৰ্মশাস্ত্ৰ সমূহৰ মাজত এক সন্মান জনক স্থানত আসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

Scanned by CamScanner

ডিএমকে আৰু এআইএডিএমকে দলৰ মূল নীতিসমূহে হৈছে—

১। তামিল সকলৰ সৰ্বাত্মক উন্নতি সাধন,

২। ধৰ্ম নিৰপেক্ষতাৰ নীতি অবলম্বন কৰা,

৩। ব্ৰাহ্মণ সকলৰ আধিপত্য হ্ৰাস কৰা,

৪। ভূমিৰ উচ্চতম সীমা নিৰ্ধাৰণ,

৫। গাঁও অঞ্চলৰ মানুহৰ বাবে বিশুদ্ধ খোৱা পানীৰ যোগান,

৬। সামগ্ৰীৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ হ্ৰাস কৰা,

৭। স্থানীয় ল'ৰা-ছোৱালীক দুপৰীয়াৰ আহাৰ যোগান ধৰা,

৮। বৃদ্ধ সকলক পেঞ্চন দিয়া আৰু

৯। কৃষকক আৰ্থিক সাহাৰ্য্য দিয়া আদি,

## (ঘ) তেলেগু দেশম (Telegu Desam)

আঞ্চলিক দল সমূহৰ ভিতৰত তেলেগু দেশম এটা অন্যতম আঞ্চলিক দল। অন্ধ্ৰপ্ৰদেশৰ আঞ্চলিক দলসমূহৰ ভিতৰত তেলেগু দেশম এটা মুখ্য দল। এই আঞ্চলিক দলটোৰ গঠন হৈছিল ১৯৮২ চনত। তেলেগু দেশম দলৰ প্ৰতিষ্ঠাতা হৈছে এন.টি. ৰামাৰাও (N.T. Ramarao)। ৰাজ্যৰ শাসন যন্ত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অধিক হস্তক্ষেপে অন্ধ্ৰপ্ৰদেশৰ জনতাৰ মাজত যথেষ্ঠ অসন্তুষ্টিৰ উদ্ভৱ হৈছিল। অন্ধ্ৰপ্ৰদেশৰ প্ৰায় ছয়কোটি জনতাৰ মাজত সৃষ্টি হোৱা হতাশা, অসন্তুষ্টি আৰু আত্মসন্মান ৰক্ষা কৰাৰ উদ্দেশ্যে এন.টি. ৰামাৰাওৰ নেতৃত্বত এই দলটো গঠিত হয়। তেলেগু দেশম দলৰ মূল উদ্দেশ্য হৈছে অন্ধ্ৰপ্ৰদেশত মূল্যবোধ জড়িত ৰাজনৈতিক শাসন প্ৰতিষ্ঠা কৰা। ৰামাৰাও এজন বোলছবি অভিনেতা আছিল, সেয়েহে অন্ধ্ৰপ্ৰদেশত তেওঁৰ জনপ্ৰিয়তা যথেষ্ঠ আছিল। ৰামাৰাওৰ নেতৃত্বত তেলেগু দেশম দলে ১৯৮৩ চনৰ বিধান সভাৰ সাধাৰণ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। কিন্তু ১৯৮৪ চনত এই দলৰ কিছুমান সদস্যই দলত্যাগ কৰাৰ ফলত ৰামাৰাওৰ পৰিৱৰ্তে ভাস্কৰ ৰাও মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হয়। এই ঘটনাই সমগ্ৰ অন্ধ্ৰপ্ৰদেশতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু জনসাধাৰণৰ মাজত আন্দোলন আৰম্ভ হয়। ভাস্কৰ ৰাওৱে সদনত সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শন কৰিব নোৱাৰাত ৰামাৰাওক পুনৰ মুখ্যমন্ত্ৰীৰ আসনত বহুৱাব লগা হয়। ৰামাৰাওৱে পদত্যাগ কৰাত ৰাজ্যত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিব লগা হয়। নতুনকৈ পতা নিৰ্বাচনত ৰামাৰাওৰ নেতৃত্বত তেলেগু দেশম দলে একক সংখ্যাগৰিষ্ঠতা আসন লাভ কৰি পুনৰ শাসনলৈ আহে আৰু তেওঁ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। বিধান সভাৰ দৰে লোকসভাৰ নিৰ্বাচনতো তেলেগু দেশম দলে ভাল ফল দেখুৱাবলৈ সক্ষম হৈছিল। এন.টি. ৰামাৰাও এজন চিত্ৰাভিনেতা হিচাপে জনসাধাৰণৰ মাজত বিপুল

Scanned by CamScanner

চনত কংগ্ৰেছ নেতৃত্বাধীন ইউ.পি.এ. দ্বাৰা ড° মনমোহন সিঙৰ নেতৃত্বত চৰকাৰ গঠন কৰে আৰু ভাৰতীয় জনতা দল নেতৃত্বাধীন এন.ডি.এ. ১৮৯ খন আসন লাভ কৰি বিৰোধী শিবিৰত অৱস্থান কৰিব লগা হয়। ২০০৯ চনৰ নিৰ্বাচনতো ভাৰতীয় জনতা দলৰ নেতৃত্বাধীন এ.ডি.এ. বিৰোধীৰ ভূমিকা পালন কৰিব লগা হয়। ২০১৪ আৰু ২০১৯ চনৰ লোকসভাৰ নিৰ্বাচনত আগৰ নিৰ্বাচনৰ ওলোটা ছবি দেখিবলৈ পোৱা গ'ল। এই দুটা নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোটে শাসনৰ গাদীত বহিবলৈ সক্ষম হ'ল আৰু কংগ্ৰেছ নেতৃত্বাধীন ইউ.পি.এ. বিৰোধী দলৰ ভূমিকা পালন কৰি আছে। বৰ্তমান সময়ত পূৰ্বতকৈ বিৰোধী দলসমূহে যথেষ্ট শক্তিশালী ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। বুলি একে আশাৰতে ক'ব পৰা নাযায়। বিৰোধী দলসমূহে নিজৰ দায়িত্ব সমূহ সঠিকভাৱে পালন কৰিলে ভাৰতত সংসদীয় গণতন্ত্ৰই কৃতকাৰ্য্য লাভ কৰিব পাৰিব।

Scanned by CamScanner